# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 12-OCT-2025
**Time :** 1715 HRS

## ***Assamese Evening Bulletin***

———————————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই, আজি **মুখ্যমন্ত্ৰীৰ গোলকীয় প্ৰতিভাৰ বাবে বিদেশী ভাষাৰ উদ্যোগ** শীৰ্ষক কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। গুৱাহাটীৰ উত্তৰ-পূব দক্ষতা কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত এই আঁচনিখন মুকলি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ যুৱক-যুৱতীসকলক আঁচনিখনৰ জৰিয়তে বিদেশী ভাষাৰ দক্ষতাৰে পাৰ্গত কৰি তুলি বিশ্বজুৰি কৰ্মৰ সুযোগ মুকলি কৰিব বুলি আশা প্ৰকাশ কৰে। এই আঁচনিৰ জৰিয়তে প্ৰথম পৰ্যায়ত ১৮০ গৰাকী যুৱক-যুৱতীয়ে সাংস্কৃতিক প্ৰশিক্ষণ, নিযুক্তি আৰু আৰ্থিক সাহায্যৰ লগতে জাপানী ভাষাৰ প্ৰশিক্ষণ লাভ কৰিব। ইয়াৰ জৰিয়তে বিভিন্ন খণ্ডত ভাৰত-জাপানৰ সহযোগিতা অধিক গভীৰ আৰু অসম আৰু জাপানৰ মানুহৰ মাজত সম্পৰ্ক বৃদ্ধি পাব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে এই আঁচনিখন গুৱাহাটীৰ উত্তৰ-পূব দক্ষতা কেন্দ্ৰৰ দ্বাৰা পৰিচালিত হ'ব আৰু ৰাজ্যৰ যুৱক-যুৱতীয়ে জাপানৰ কৰ্মক্ষেত্ৰত নিয়োগৰ সুযোগ লাভ কৰিব পৰাকৈ প্ৰশিক্ষণ দিয়া হ'ব।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

অনুষ্ঠানৰ পাছত মুখ্যমন্ত্ৰীয়ে সাংবাদিকক সম্বোধন কৰি কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, যে দেশত অস্বাভাৱিকহাৰত মুছলমানৰ সংখ্যা বৃদ্ধি হৈছে। ৰাজ্যত মুছলমানৰ জনসংখ্যা ৩৮ শতাংশ বৃদ্ধি হোৱাৰ সমান্তৰালকৈ মাজুলীত এই পৰিসংখ্যা ১০০ শতাংশ। পৰৱৰ্তী লোকপিয়লত এই তথ্য পোহৰলৈ আহিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

আনহাতে জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত য়'টত থকা ছিংগাপুৰৰ কেইবাগৰাকীও প্ৰবাসী অসমীয়াই সোনকালেই জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত সহযোগিতা আগবঢ়োৱা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ জনোৱা অনুসৰি এছ্ আই টিৰ চমনৰ পাছতে কেইবাগৰাকীও প্ৰবাসী অসমীয়াই ইতিবাচক সঁহাৰি জনাইছে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

একে সময়তে জনজাতিকৰণৰ বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে বিগত তিনি বছৰ ধৰি নিৰন্তৰভাৱে বিষয়টোত কাম কৰি আছে। এই বিষয়সমূহ ২৫ নৱেম্বৰত অসম বিধানসভাৰ মজিয়াত মন্ত্ৰীসভা গোটৰ প্ৰতিবেদন উপস্থাপন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জনায়।

০০০০০

ঝাৰখণ্ডত আই ই ডি বিস্ফোৰণত ছহিদ হোৱা নগাওঁ জিলাৰ কামপুৰৰ কুঁৱৰীআটি গাওঁৰ মহেন্দ্ৰ লস্কৰৰ নশ্বৰ দেহ আজি তেওঁৰ বাসগৃহলৈ অনা হয়। কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ জোৱানসকলে সমদল কৰি আনি জোৱানজনলৈ শেষ শ্ৰদ্ধা জনায়। নগাওঁ জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসনৰ লগতে বিভিন্ন দল সংগঠন আৰু পৰিয়ালৰ লোকসকলে ছহিদ জোৱানজনৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ১০ অক্টোবৰত ঝাৰখণ্ডৰ চাইবাচা এলেকাত সংঘটিত আই ই ডি বিস্ফোৰণত জোৱানজন নিহত হৈছিল। চি আৰ পি এফৰ ৬০ নম্বৰ বেটেলিয়নৰ ১১-১২ জনীয়া দল এটাই টহল দি থকা অৱস্থাতে বিস্ফোৰণটো সংঘটিত হয়। এই বিস্ফোৰণত অসমৰ

জোৱানজন নিহত হোৱাৰ লগতে আন কেইবাজনো জোৱান আহত হয়। আজি জোৱানগৰাকীৰ শেষকৃত্য সামৰিক মৰ্যদাৰে সম্পন্ন কৰা হয়।

০০০০০

শিশুৰ সম্পূৰ্ণ সুৰক্ষাৰ বাবে আজি ৰাজ্যৰ ২৬ খন জিলাত পলিঅ' দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উপৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান অভিযানৰ অধীনত ইতিপূৰ্বে পলিঅ' প্ৰতিষেধক গ্ৰহণৰ পৰা বাদ পৰি যোৱা সকলো শিশুক এই অভিযানৰ অধীনত সামৰি লোৱা হয়।

গোৱালপাৰা জিলাত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে পলিঅ' প্ৰতিষেধক প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। জিলা প্ৰতিষেধক বিষয়াই জনোৱা মতে, ৫ বছৰ বয়সৰ ভিতৰৰ মুঠ এক লাখ ৯৬ হাজাৰ শিশুক এই বিশেষ অভিযানৰ জৰিয়তে পলিঅ' প্ৰতিষেধক প্ৰদান কৰিবলৈ লোৱা হৈছে। জিলাখনৰ ৯১৯ টা কেন্দ্ৰত আজি প্ৰতিষেধক প্ৰদান কৰা হয়। আজি প্ৰতিষেধক প্ৰদানৰ পৰা বাদ পৰি যোৱা শিশুসকলক কাইলৈ আৰু পৰহিলৈ স্বাস্থ্যকৰ্মীসকলে ঘৰে ঘৰে গৈ পলিঅ' প্ৰতিষেধক প্ৰদান কৰিব বুলিও বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

দক্ষিণ শালমাৰা মানকাচৰতো আজি পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হয়। জিলাখনৰ ৩২৮ খন ঠাইত এই কাৰ্যসূচীত এহেজাৰ ৭৮ গৰাকী স্বাস্থ্যকৰ্মীয়ে প্ৰতিষেধক প্ৰদান কৰে। জিলা খনৰ আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই এই কাৰ্যসূচী মুকলি কৰে। মুঠ ৮০ হাজাৰ শিশুক এই অভিযানৰ জৰিয়তে সামৰি লোৱা হ'ব।

কোকৰাঝাৰ জিলাতো আজিৰে পৰা উপৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান অভিযানৰ অধীনত পলিঅ' প্ৰতিষেধক দিয়া হৈছে। এই অভিযান পৰহিলৈকে অব্যাহত থাকিব। ওদালগুৰি জিলাতো আজি এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই অভিযানৰ অধীনত ১৪ অক্টোবৰ পৰ্যন্ত জিলাখনৰ এক লাখ ৬ হাজাৰ ৪৬৭ টা শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব।

চিৰাং জিলাত আজিৰে পৰা এই প্ৰতিষেধক প্ৰদান কৰা হৈছে। ১৪ অক্টোবৰলৈ চলিবলগীয়া এই কাৰ্যসূচীৰ অধীনত জিলাখনৰ ৪০০টা কেন্দ্ৰত প্ৰতিষেধক প্ৰদান কৰা হ'ব। জিলাখনৰ ৬০ হাজাৰ ২৪৬ টি শিশুক এই প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে।

দৰং জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আজিৰে পৰা জিলাখনত তিনিদিনীয়াকৈ উপৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হৈছে। ৫ বছৰ বয়সৰ তলৰ সকলো শিশুক দুটোপালকৈ পলিঅ' প্ৰতিষেধক প্ৰদানৰ বাবে এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। জিলাখনৰ পৰিয়াল কল্যাণ শাখাৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ কমলাকান্ত শৰ্মাই প্ৰকাশ কৰা মতে জিলাখনত এক লাখ ৩৮ হাজাৰ ৭৬৩টা শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। তদুপৰি ৫৩টা ভ্ৰাম্যমান প্ৰতিষেধক প্ৰদানকাৰী দলে দুৰ্গম আৰু যাতায়াতৰ অসুবিধা থকা স্থানলৈ গৈ প্ৰতিষেধক প্ৰদান কৰিব।

০০০০০

সমাপ্ত